নিয়মীয়া বার্তা শুকুৰবাৰ, ৪ ছেপ্টেম্বৰ, ২০২৬



### যুৱ প্ৰজন্মৰ মাজত সুস্থ জীৱনশৈলী গঢ়াৰ লক্ষ্য এনএছএছ গোটৰ

# দিছপুৰ মহাবিদ্যালয়ত ড্ৰাগ্‌ছবিৰোধী সজাগতা সভা

**মহানগৰ বিশেষ বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** যুৱ প্ৰজন্মক ড্ৰাগ্‌ছৰ ভয়াৱহতাৰ বিষয়ে সজাগ কৰাৰ লগতে নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰি থাকি সুস্থ আৰু ইতিবাচক জীৱনশৈলী গ্ৰহণৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে বৃহস্পতিবাৰে দিছপুৰ মহাবিদ্যালয়ত 'যুৱ মন্থন' শীৰ্ষক এক ড্ৰাগ্‌ছবিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। যুৱ ড্ৰাগ্‌ছবিৰোধী প্ৰতিষ্ঠানৰ উদ্যোগত আৰু দিছপুৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলক ড্ৰাগ্‌ছ সেৱনৰ ফলত সৃষ্টি হোৱা শাৰীৰিক, মানসিক, সামাজিক আৰু শৈক্ষিক ক্ষতিৰ বিষয়ে বিস্তৃতভাৱে সজাগ কৰা হয়। ড্ৰাগ্‌ছৰ কু-প্ৰভাৱৰ পৰা যুৱ সমাজক সুৰক্ষিত ৰাখিবলৈ পৰিয়াল, শিক্ষানুষ্ঠান আৰু সমাজৰ সামূহিক ভূমিকা সম্পৰ্কেও আলোচনা কৰা হয়। অনুষ্ঠানত যুৱ-প্ৰজন্মক ড্ৰাগ্‌ছৰ পৰা আঁতৰি থাকি শিক্ষা, ক্ৰীড়া আৰু সুস্থ জীৱনশৈলী গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। কাৰ্যসূচীৰ অংশ হিচাপে 'ড্ৰাগ্‌ছক না কওক, ক্ৰীড়াক হয় কওক' শীৰ্ষক এখন সজাগতামূলক পোষ্টাৰ উন্মোচন কৰা হয়। পোষ্টাৰখনৰ জৰিয়তে ড্ৰাগ্‌ছৰ বিপৰীতে ক্ৰীড়া আৰু অন্যান্য ইতিবাচক কাৰ্যকলাপক যুৱ সমাজৰ বাবে সুস্থ বিকল্প হিচাপে গ্ৰহণ কৰাৰ বাৰ্তা প্ৰদান কৰা হয়। অনুষ্ঠানত দিছপুৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ইন্দ্ৰাণী চৌধুৰী মহন্ত, ছাত্ৰ কল্যাণৰ ডীন ড° শশী মোহন দাস, ইতিহাস বিভাগৰ অধ্যাপিকা চেৰলিন ইংজাইপি, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটৰ কাৰ্যসূচী বিষয়া তথা নিচামুক্ত ভাৰত সমিতিৰ আহ্বায়ক সুতিৱ্ৰ মালাকাৰ, যুৱ ড্ৰাগছবিৰোধী প্ৰতিষ্ঠানৰ উপাধ্যক্ষ মিনাক্ষী সিংহা আৰু সম্পাদক ৰাজীৱ সিংহা উপস্থিত থাকে।

